# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 22-09-2026 **Time :** 1100 Hrs.

ৰাজ্যৰ চাহ জনগোষ্ঠীয় লোকসকলে আজি পৰম্পৰাগত ৰীতি-নীতিৰে কৰম পূজা পালন কৰিছে। ৰাজ্যৰ চাহ জনগোষ্ঠী আৰু আদিবাসী সমাজৰ অন্যতম প্ৰধান কৃষিভিত্তিক তথা জাতীয় উৎসৱ কৰম পূজা উপলক্ষে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ কয়, যে কৃষিভিত্তিক উৎসৱ কৰম পৰৱে প্ৰকৃতিৰ সৈতে মানুহৰ নিবিড় সম্পৰ্ক আৰু সহাৱস্থানৰ অনন্য পৰিচয় দাঙি ধৰে। তেওঁ কয়, যে এই পৰৱ আধ্যাত্মিকতা, লোকবিশ্বাস আৰু সাংস্কৃতিক পৰম্পৰাৰ সমাহাৰেৰে সমৃদ্ধ।

শস্য নদন-বদন হোৱা আৰু কৃষি কাৰ্যত কোনো বাধা-বিঘিনি নঘটি উৎপাদিত শস্যৰ পৰিমাণ বৃদ্ধি হোৱাৰ কামনাৰে এই পূজা কৰা হয়। পূজাৰ মূল অংশ হিচাপে কৰম গছৰ ডাল আনি বিশেষ পূজা-অৰ্চনা কৰা হয়। মাদলৰ চেৰত ঝুমইৰ নৃত্য আৰু লোকগীতেৰে পূজাস্থলী আৰু চাহ বাগিচাসমূহ উখল-মাখল হৈ পৰে।

বাক্সা জিলাতো আজি উলহ-মালহেৰে কৰম পূজা পালন কৰা হৈছে। এই সন্দৰ্ভত আমাৰ বাক্সা জিলাৰ সংবাদদাতা দামোদৰ তালুকদাৰে এইদৰে কয় –

বাইট

০০০০০০০

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে শাসক-বিৰোধীৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। শাসকীয় বিজেপিয়ে সমষ্টিটো দখলৰ বাবে আগ্ৰাসী প্ৰচাৰ চলোৱাৰ বিপৰীতে কংগ্ৰেছে নিজৰ আসনখন ধৰি ৰখাৰ আপ্ৰাণ চেষ্টা চলাইছে। একেদৰে এ আই ইউ ডি এফেও সমষ্টিটোত ব্যাপক প্ৰচাৰ চলাইছে। ইতিমধ্যে বিজেপিয়ে নিৰ্বাচনৰ বাবে তাৰকা প্ৰচাৰকৰ তালিকা প্ৰকাশ কৰিছে। সমষ্টিটোত ২৮ ছেপ্তেম্বৰৰ পৰা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰচাৰ চলোৱা কথা। ইতিমধ্যে বিজেপিৰ সভাপতি দিলীপ শইকীয়াকে ধৰি ভালেসংখ্যক নেতাই সমষ্টিটোত প্ৰচাৰ অব্যাহত ৰাখিছে। কংগ্ৰেছৰ অসমৰ তত্বাৱধায়ক ভূপেশ বাঘেলেও সমষ্টিটোৰ বিভিন্ন স্থানত প্ৰচাৰ চলাইছে। কংগ্ৰেছৰ জ্যেষ্ঠ নেতাগৰাকীয়ে নগাঁও লোকসভা সমষ্টিৰ অধীনৰ চামগুৰিত কালি প্ৰচাৰ চলাবলৈ যোৱাৰ সময়তে নিৰ্বাচনী হিংসাৰ সন্মুখীন হ'বলগীয়া হয়। চামগুৰিৰ বৰমাত কংগ্ৰেছ আৰু বিজেপিৰ একাংশ কৰ্মীৰ মাজত কালি সংঘৰ্ষৰ সূত্ৰপাত হয়। কালি সভালৈ যোৱা জ্যেষ্ঠ কংগ্ৰেছ নেতা ভূপেশ বাঘেল, সাংসদ ৰকিবুল হুছেইন, প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ লগতে কংগ্ৰেছ নেতা ৰাজেদ আলী চৌধুৰীক একাংশ লোকে ক'লা পতাকা প্ৰদৰ্শন কৰে। ইয়াৰ পাছতে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে লাঠীচালনা কৰে। ঘটনা সন্দৰ্ভত কালি সন্ধিয়া প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈসহ বহু সংখ্যক কংগ্ৰেছ নেতা-কৰ্মীয়ে নগাঁও সদৰ আৰক্ষী থানাৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে লিখিত অভিযোগ দাখিল কৰিছে।

০০০০০০০০

গুজৰাটৰ একতা নগৰত ৭২ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ আজি প্ৰদান কৰা হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সন্ধিয়া এই বঁটাসমূহ প্ৰদান কৰিব। বিভিন্ন শিতানত চলচ্চিত্ৰৰ কলাত্মক আৰু উৎকৃষ্ট কাৰিকৰী দিশসমূহক প্ৰাধান্য দি ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা প্ৰদান কৰা হয়। উল্লেখযোগ্য যে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ

নীতিগত দিশৰ প্ৰতি সঁহাৰি জনাই এইবেলি এই বঁটা প্ৰদান অনুষ্ঠান ৰাষ্ট্ৰীয় ৰাজধানীৰ বাহিৰত আয়োজন কৰা হৈছে। গুজৰাটৰ একতা নগৰত হ'বলগীয়া এই অনুষ্ঠানত দেশৰ চলচ্চিত্ৰ প্ৰতিভাসকল একত্ৰিত হ'ব, যাৰ জৰিয়তে এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ চেতনা প্ৰতিফলিত হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে প্ৰবীণ অভিনেতা অনন্ত নাগক ২০২৪ চনৰ দাদাছাহেব ফাল্কে বঁটাৰে সন্মানিত কৰিব। আৰ্টিকল ৩৭০ ছবিখনে শ্ৰেষ্ঠ চলচ্চিত্ৰ বঁটা লাভ কৰাৰ লগতে চলচিত্ৰখনত অভিনয় কৰাৰ বাবে য়ামি গৌতমে শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা লাভ কৰিছে।

000000000

গুজৰাটৰ একতা নগৰত ৭২ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ আজি প্ৰদান কৰা হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সন্ধিয়া এই বঁটাসমূহ প্ৰদান কৰিব। বিভিন্ন শিতানত চলচ্চিত্ৰৰ কলাত্মক আৰু উৎকৃষ্ট কাৰিকৰী দিশসমূহক প্ৰাধান্য দি ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা প্ৰদান কৰা হয়। উল্লেখযোগ্য যে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ নীতিগত দিশৰ প্ৰতি সঁহাৰি জনাই এইবেলি এই বঁটা প্ৰদান অনুষ্ঠান ৰাষ্ট্ৰীয় ৰাজধানীৰ বাহিৰত আয়োজন কৰা হৈছে। গুজৰাটৰ একতা নগৰত হ'বলগীয়া এই অনুষ্ঠানত দেশৰ চলচ্চিত্ৰ প্ৰতিভাসকল একত্ৰিত হ'ব, যাৰ জৰিয়তে এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ চেতনা প্ৰতিফলিত হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে প্ৰবীণ অভিনেতা অনন্ত নাগক ২০২৪ চনৰ দাদাছাহেব ফাল্কে বঁটাৰে সন্মানিত কৰিব। আৰ্টিকল ৩৭০ ছবিখনে শ্ৰেষ্ঠ চলচ্চিত্ৰ বঁটা লাভ কৰাৰ লগতে চলচিত্ৰখনত অভিনয় কৰাৰ বাবে য়ামি গৌতমে শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা লাভ কৰিছে।

000000000

তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী পাতকীজুলি মাইনাও ক্লাৱ ষ্টেডিয়ামত কালিৰে পৰা ৩৩ সংখ্যক বড়োলেণ্ড ছহিদ সোঁৱৰণি ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। বিটিচিৰ কাৰ্যবাহী সদস্য মহেশ্বৰ বসুমতাৰীয়ে কালি প্ৰথমখন খেল আনুষ্ঠানিকভাৱে উদ্বোধন কৰি প্ৰতিযোগিতাৰ শুভাৰম্ভণি কৰে। বিটিচিৰ কাৰ্যবাহী সদস্য আগস্তিক টিগা, তামুলপুৰৰ প্ৰাক্তন বিধায়ক ইমানুৱেল মুছাহাৰীৰ লগতে বহুসংখ্যক বিশিষ্ট ব্যক্তি উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে। কালিৰ প্ৰথমখন খেলত তামুলপুৰ এফ চিয়ে বাক্সা একাদং দুমনি এফ চিক ২-১ ৰ ব্যৱধানত পৰাস্ত কৰে। অহা ১১ অক্টোবৰত এই প্ৰতিযোগিতাৰ সামৰণি পৰিব।

0000000

এছিয়ান গেমছত মহিলা ক্ৰিকেটৰ ফাইনেলত আজি ভাৰতীয় দলটো শ্ৰীলংকাৰ মুখামুখি হৈছে। উল্লেখযোগ্য যে বাংলাদেশৰ বিৰুদ্ধে ১১৪ ৰানৰ প্ৰভাৱশালী বিজয়েৰে ভাৰতে ফাইনেলত নিজৰ স্থান নিশ্চিত কৰে। আনহাতে শ্ৰীলংকাই পাকিস্তানৰ বিৰুদ্ধে জয়লাভ কৰি ফাইনেলত প্ৰৱেশ কৰে।

ইফালে ভাৰতৰ পুৰুষ বেডমিণ্টন দলটোৱে কালি বাংলাদেশক ৩-০ ব্যৱধানত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। ভাৰতীয় মহিলা বেডমিণ্টন দলটো আজি কোৱাৰ্টাৰ ফাইনেলত আয়োজক দেশ জাপানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। দলটোৱে কালি কাজাখাস্তানক ৩-০ৰ ব্যৱধানত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে।

0000000

**সমাপ্ত**